# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি জনতা ভৱনত ড° বাণীকান্ত কাকতি মেধা বঁটা, ২০২৪-ৰ অধীনত স্কুটী বিতৰণ কাৰ্যসূচীৰ নিৰ্দেশনাৱলী পৰ্যালোচনাৰ বাবে এখন বৈঠক অনুষ্ঠিত হয়। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৬০ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰী আৰু ৭৫ শতাংশ লাভ কৰা ছাত্ৰসকলক ৰাজ্য চৰকাৰে স্কুটী প্ৰদান কৰিব। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে উচ্চশিক্ষাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বৃদ্ধিৰ বাবে পদক্ষেপ ল'বলৈও সংশ্লিষ্ট বিষয়াবৰ্গক নিৰ্দেশনা প্ৰদান কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ সংগ্ৰহালয় স্থাপন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে খিলঞ্জীয়া জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আন এখন বৈঠকত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয়ৰ আৰ্হিত ৰাজ্যত মুখ্যমন্ত্ৰী সংগ্ৰহালয় স্থাপনৰ বিভিন্ন দিশ সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে সংগ্ৰহালয়ৰ বিশেষজ্ঞ, শিক্ষাবিদ, ইতিহাসবিদ, স্থাপত্যবিদক অন্তৰ্ভুক্ত কৰি এখন বিশেষজ্ঞ সমিতি গঠন কৰাৰ বাবে পৰামৰ্শ দিয়ে। এই সমিতিখনক প্ৰধানমন্ত্ৰী সংগ্ৰহালয়টো পৰিদৰ্শন কৰি ইয়াৰ সৃষ্টিৰ আঁৰত থকা ব্যক্তিসকলক সাক্ষাৎ কৰি অধ্যয়ন আৰু গৱেষণাৰ অন্তত পৰৱৰ্তী পৰিকল্পনা যুগুত কৰিবলৈ তেওঁক পৰামৰ্শ আগবঢ়ায়।

০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজি ৬৮ কোটিৰো অধিক টকা বিতৰণ কৰে। ৰাজ্য চৰকাৰে উচ্চ শিক্ষাৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ বিনামূলীয়া নামভৰ্তিৰ ধন বিতৰণৰ প্ৰথম পৰ্যায়ত এই ধনৰাশি মোকলাই দিয়ে।

এই আঁচনিৰ অধীনত ২০২৪-২৫ শিক্ষাবৰ্ষত ৩৪৯খন শিক্ষানুষ্ঠানৰ ৯৪ হাজাৰ ৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। আৰম্ভণিৰেপৰা বিগত শিক্ষা বৰ্ষলৈ এই আঁচনিয়ে ২২ লাখৰো অধিক শিক্ষাৰ্থীক সামৰি লৈছে। উল্লেখযোগ্য যে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ৰূপায়িত মাচুল ৰেহাই আঁচনিৰ জৰিয়তে উচ্চতৰ মাধ্যমিক অথবা স্নাতক আৰু কলা, বিজ্ঞান তথা বাণিজ্যৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত শিক্ষাৰ্থীসকলক বিনামূলীয়া নামভৰ্তিৰ সুবিধা প্ৰদান কৰা হয়। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এই কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ ধন ছেপ্তেম্বৰত আদায় দিয়া হ'ব।

০০০০০০০

ৰাজ্যৰ সামাজিক ন্যায়, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰাণ স্বায়ত্বশাসিত পৰিষদ আৰু মৰাণ জনগোষ্ঠীৰ দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে দিছপুৰৰ জনতা ভৱনত এখন বৈঠকত মিলিত হয়। এই বৈঠকত মৰাণ স্বায়ত্বশাসিত পৰিষদৰ সীমা নিৰ্ধাৰণ সন্দৰ্ভত বিষদভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰিও মৰাণ জনগোষ্ঠীৰ জনসংখ্যাৰ জৰীপ চলাই পৰৱৰ্তী সময়ত পাৰিষদীয় সমষ্টি গঠনৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। মৰাণ স্বায়ত্বশাসিত পৰিষদত যাতে পূৰ্ণাংগ ৰূপত গঢ়ি তোলাৰ সন্দৰ্ভত জনগোষ্ঠীটোৰ

দল-সংগঠনৰ সৈতে আলোচনা কৰা হয়। মন্ত্ৰী হাজৰিকাই ৰাজ্য চৰকাৰে মৰাণ জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ বাবে কাম কৰিবলৈ যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁলোকক অৱগত কৰে। বৈঠকত মৰাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণকে ধৰি ভালেমান প্ৰতিনিধি উপস্থিত থাকে।

আনহাতে মন্ত্ৰী হাজৰিকাই আজি দিছপুৰৰ জনতা ভৱনৰ সভাকক্ষত মটক স্বায়িত্বশাসিদ পৰিষদ আৰু মটক জনগোষ্ঠীৰ দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতেও একেধৰণৰ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। এই বৈঠকত মটক স্বায়িত্বশাসিদ পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া, সদৌ মটক ছাত্ৰ সন্থাকে ধৰি কেইবাটাও মটক দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে। আজিৰ পৃথকৈ অনুষ্ঠিত দুয়োখন বৈঠকত সামাজিক ন্যায় বিভাগৰ আয়ুক্ত সচিব বীৰেন্দ্ৰ মিট্টাল আৰু অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালককে ৰাজ্যৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

সাম্প্ৰতিক বানত ৰাজ্যখনৰ ২৬ খন জিলাৰ ১৭ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে আজি প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৯০টা ৰাজহ চক্ৰৰ ২ হাজাৰ ৭০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৭ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৯ লৈ বৃদ্ধি পাইছে। বানৰ ফলত যোৱা ২৪ ঘণ্টাত ৯৪টা পথ আৰু ৩ খন দলঙৰ লগতে অন্যান্য আন্তঃগাঁথনিৰ ক্ষতি হৈছে। ইফালে ২৪০টা আশ্ৰয় শিবিৰত ৪৮ হাজাৰতকৈ অধিক বান ক্ষতিগ্ৰস্ত লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফৰ দলে কাছাৰ, বৰপেটা, বঙাইগাঁও, ডিব্ৰুগড় আৰু যোৰহাটৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আনহাতে এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে অন্য জিলাত অভিযান অব্যাহত ৰাখিছে।

০০০০০০০০০

**সমাপ্ত**